কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref :*

তাৰিখ :২২-০২-২০১৯
*Date* :

## জাননী

২০১৯ শিক্ষাবৰ্ষৰ এজবেক শিক্ষক প্ৰশিক্ষণসমূহ অহা ৮ জুলাইৰপৰা ১৪ জুলাইলৈ অসম জাতীয় বিদ্যালয়, নুনমাটিত অনুষ্ঠিত হ'ব। এই সম্পৰ্কেসবিশেষ সময়ে সময়ে জনাই থকা হ'ব। সংশ্লিষ্ট সকলোকে অসম জাতীয় বিদ্যালয়ৰ ৱেবছাইটো চাই থাকিবলৈ অনুৰোধ জনোৱা হ'ল। প্ৰশিক্ষণ সম্পৰ্কীয় যোগাযোগৰ বাবে তলত দিয়া ফোন নম্বৰটোত যোগাযোগ কৰিব পাৰিব।

অপৰাজিতা দত্ত
(অপৰাজিতা দত্ত)
শিক্ষয়িত্ৰী, ইংৰাজী বিভাগ
সমন্বয়ক
এজবেক শিক্ষক প্ৰশিক্ষণ
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০

যোগাযোগৰ নম্বৰ : ৮৮৭৬৫২৫১৬১
৭০৮৬৬৫৪৮৫৭

Aparajita Dutta
(Aparajita Dutta)
Teacher, Dept. of English
Co-ordinator,
AJBEC, Teachers' Training
Assam Jatiya Bidyalay
Noonmati, Guwahati-781020

Contact No. : 876525161
086654857

# বিষয় : এজবেক প্ৰশিক্ষণ, ২০১৯

**প্ৰশিক্ষণৰ বাবে অপৰিহাৰ্য চৰ্তসমূহ :**

১। এখন বিদ্যালয়ৰ পৰা একোটা বিষয়ত এজনকৈ শিক্ষক বা শিক্ষয়িত্ৰীয়েহে অংশগ্ৰহণ কৰিব পাৰিব।

২। প্ৰতিটো বিষয়ত প্ৰশিক্ষাৰ্থীৰ সংখ্যা /আসন পঞ্চাশ গৰাকী (৫০) নিৰ্দ্ধাৰণ কৰা হৈছে।

৩। প্ৰশিক্ষণত অংশগ্ৰহণৰ বাবে আবেদন জনোৱাৰ শেষ তাৰিখ ১২ এপ্ৰিল, ২০১৯ চন।

৪। প্ৰশিক্ষণৰ বাবে আবেদন কৰা প্ৰ-পত্ৰ assamjatiyabidyalay.com এই websiteৰ পৰা সংগ্ৰহ কৰিব পাৰিব।

৫। কোনো এখন বিদ্যালয়ৰ যিগৰাকী শিক্ষক অথবা শিক্ষয়িত্ৰীয়ে ২০১৭ বৰ্ষৰ এজবেক শিক্ষক প্ৰশিক্ষণত যি বিষয়ত অংশগ্ৰহণ কৰিছিল, সেই একেগৰাকী শিক্ষকে ২০১৯ বৰ্ষৰ উক্ত বিষয়ত প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব নোৱাৰিব। অৰ্থাৎ, উদাহৰণ স্বৰূপে ইংৰাজী বিষয়ত ২০১৭ বৰ্যত প্ৰশিক্ষণ লোৱা শিক্ষক/শিক্ষয়িত্ৰীগৰাকীৰ পৰিৱৰ্তে অন্য এগৰাকী শিক্ষক/শিক্ষয়িত্ৰীয়েহে ২০১৯বৰ্ষৰ প্ৰশিক্ষণ গ্ৰহণ কৰিব পাৰিব।

৬। ২০১৯ বৰ্যত ইংৰাজী (৩ দিনীয়া), বিজ্ঞান, গণিত, সমাজ বিজ্ঞান, অসমীয়া, প্ৰাক্-বিদ্যালয় শিক্ষা (২ দিনীয়া), হিন্দীৰ (এদিনীয়া), সুকুমাৰ কলা (এদিনীয়া) প্ৰশিক্ষণ অনুষ্ঠিত হ'ব।

৭। প্ৰশিক্ষণ কাৰ্যসূচীৰ বিষয় অনুসৰি নিৰ্দ্ধাৰিত তাৰিখ হ'ল এনে ধৰণৰ—

| তাৰিখ | স্থান : ক | স্থান : খ | স্থান : গ |
|---|---|---|---|
| 8th July | English | Mathematics | Pre-School |
| 9th July | English | Mathematics | Pre-School |
| 10th July | English | Science | Assamese |
| 11th July | Social Science | Science | Assamese |
| 12th July | Social Science | Hindi | Fine Arts |

৮। প্ৰতিখন বিদ্যালয়ে প্ৰশিক্ষণ লোৱাৰ ক্ষেত্ৰত কি কি বিষয়ত অগ্ৰাধিকাৰ দিব খোজে আগতীয়াকৈ জনাব লাগিব। সেই মতে বিদ্যালয়সমূহক প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণৰ সুবিধা প্ৰদান কৰা হ'ব।

ক) প্ৰথম পচন্দৰ বিষয় :

খ) দ্বিতীয় পচন্দৰ বিষয় :

গ) তৃতীয় পচন্দৰ বিষয় :

৯। আবেদন পোৱাৰ অগ্ৰাধিকাৰ ভিত্তিত প্ৰশিক্ষণত অংশগ্ৰহণৰ সুবিধা দিয়া হ'ব।

১০। প্ৰশিক্ষণ গ্ৰহণৰ বাবে নিৰ্বাচন কৰাৰ কথা সংশ্লিষ্ট বিদ্যালয়ক ২৯ এপ্ৰিল, ২০১৯ তাৰিখৰ ভিতৰত জনোৱা হ'ব।

১১। প্ৰত্যেক দিনে প্ৰশিক্ষণ পুৱা ৯ বজাত আৰম্ভ হৈ বিয়লি ৪ বজাত অন্ত পৰিব।

১২। প্ৰশিক্ষাৰ্থীসকলে অসম জাতীয় বিদ্যালয়ত থাকিব বিচাৰিলে ১২ এপ্ৰিল, ২০১৯ তাৰিখৰ ভিতৰত জনাব লাগিব।

■■■